# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-NOV-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাৰ তদন্তৰ দায়িত্ব এন আই এ-ক অৰ্পণ কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে সংস্থাটোক আজি তদন্তৰ দায়িত্ব অৰ্পণ কৰে।

এই বিস্ফোৰণৰ আঁৰত থকা ষড়যন্ত্ৰকাৰীক কোনো কাৰণতে ক্ষমা কৰা নহ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সকীয়াই দিয়ে। পাৰ্বত্য ৰাষ্ট্ৰ ভূটানৰ ৰাজধানী থিম্ফুৰ এটা অনুষ্ঠানত ভাষণ দি তেওঁ কয়, যে বিস্ফোৰণত জড়িত প্ৰতিজন দোষীকে কঠোৰ শাস্তি বিহা হ'ব। তেওঁ লগতে কয়, যে যোৱনিশাৰে পৰা তেওঁ দিল্লী বিস্ফোৰণৰ ঘটনাৰ তদন্তকাৰী সংস্থাসমূহৰ সৈতে যোগাযোগত আছে। তদন্ত সংস্থাসমূহে সমগ্ৰ ঘটনাৰ উঁহ উলিয়াবলৈ সমৰ্থ হ'ব বুলিও তেওঁ নিশ্চিতি দিয়ে। দুৰ্ভগীয়া পৰিয়ালকেইটাৰ দুখ তেওঁ অনুভৱ কৰিব পাৰিছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে সমগ্ৰ দেশ তেওঁলোকৰ লগত আছে।

**বাইট (মোদী)**

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে দিল্লী বিস্ফোৰণত জড়িতসকলক বিচাৰৰ কাঠগড়ালৈ অনা হ'ব আৰু কঠোৰ শাস্তি বিহা হ'ব। নতুন দিল্লীত আজি দিল্লী প্ৰতিৰক্ষা আলোচনাত ভাষণ দি শ্ৰী সিঙে কয়, যে আগশাৰীৰ তদন্ত সংস্থাসমূহে বিস্ফোৰণৰ ঘটনাৰ পুংখানুপুংখ অনুসন্ধান কৰি আছে। তেওঁ কয়, যে তদন্তৰ তথ্যসমূহ অতি সোনকালে ৰাজহুৱা হ'ব। মন্ত্ৰীগৰাকীয়ে কালিৰ বিস্ফোৰণৰ ঘটনাত মৃত্যু হোৱা সকলৰ পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জনায়।

উল্লেখযোগ্য যে দিল্লীৰ লালকিল্লাৰ সমীপত কালি সন্ধিয়া সংঘটিত এটা শক্তিশালী বোমা বিস্ফোৰণত কমেও ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৪ জনৰো অধিক লোক আহত হয়। এখন গাড়ীত সংস্থাপিত এটা বোমা বিস্ফোৰণৰ এই ঘটনা সন্দৰ্ভত অনুসন্ধান চলাই থকা হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

০০০০০

অসমত সন্ত্ৰাসবাদ মষিমূৰ কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মন্তব্য কৰে। তেওঁ কয়, যে দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাক লৈ সামাজিক মাধ্যমত আনন্দ কৰা লোকক প্ৰয়োজন হ'লে গ্ৰেপ্তাৰ কৰা হ'ব। তেনেলোকে আনন্দ-উল্লাস কৰি সন্ত্ৰাসবাদক সমৰ্থন জনাইছে বুলি তেওঁ কয়। এইসকল ব্যক্তিৰ তথ্য পৰীক্ষা কৰি গ্ৰেপ্তাৰ কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। দেশত যাতে সন্ত্ৰাসবাদে আকৌ মূৰ দাঙি উঠিব নোৱাৰে তাৰ বাবে জনগণ একত্ৰিত হ'ব লাগিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ প্ৰাৰ্থীসকলে ১৩ নৱেম্বৰত নিযুক্তি পত্ৰ লাভ কৰিব। ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে এখন জাননীৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে। জাননীখনত উল্লেখ কৰা অনুসৰি ১৩ নৱেম্বৰত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেল পথাৰত আয়োজিত এটা অনুষ্ঠানত প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ

প্ৰদান কৰা হ'ব। শিক্ষক পদৰ প্ৰাৰ্থীসকলক নিজৰ পৰিচয় পত্ৰসহ এই অনুষ্ঠানত উপস্থিত থাকিবলৈ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে আহ্বান জনাইছে।

০০০০০

ধৰ্‌তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্যজুৰি উদযাপিত জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ মুঠ চাৰি হাজাৰ ৬৭৩ টা জনজাতীয় পৰিয়ালক ভূমি স্বত্ব পত্ৰ বিতৰণ কৰে। বড়ো, ৰাভা, কাৰ্বি আৰু গাৰো জনগোষ্ঠীৰ এই লোকসকলক ভূমি স্বত্ব পত্ৰ প্ৰদান কৰি জনজাতীয় লোকক ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত এয়া অত্যন্ত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। তেওঁ কয় যে বি টি চি, কাৰ্বি আংলঙকে ধৰি বিভিন্ন স্থানত জনজাতীয় লোকসকলে সম্প্ৰতি ভূমিৰ অধিকাৰ লাভ কৰিছে। অসমৰ বনাঞ্চলসমূহত বসবাস কৰি থকা প্ৰতিগৰাকী জনজাতীয় লোকক ভূমি অধিকাৰ প্ৰদানৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। অসমত জনজাতীয় লোকৰ ভূমিৰ সমস্যা ক্ৰমাগতভাৱে কমি আহিছে বুলি তেওঁ উল্লেখ কৰে। পূৰ্বে জনজাতীয় লোকসকলে ভূমিৰ বাবে আন্দোলন কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ লগতে উচ্ছেদৰ সন্মুখীন হ'বলগীয়া হৈছিল যদিও ২০২১ চনত মুখ্যমন্ত্ৰীয়ে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত জিলা আয়ুক্তসকলক বনাঞ্চল বা অন্যান্য ঠাইত বসবাস কৰি থকা জনজাতীয় লোকসকলক উচ্ছেদ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে আজি কামৰূপ জিলাৰ ছয়গাঁৱৰ পাণ্টান উচ্চ মাধ্যমিক বিদ্যালয় খেল পথাৰত বন অধিকাৰ আইন, ২০০৬-ৰ অধীনত জনজাতীয় পৰিয়ালক ভূমি স্বত্ব-পত্ৰ বিতৰণ কৰে। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰে।

০০০০০

তামুলপুৰ জিলাৰ বিভিন্ন স্থানত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে। জিলাখনৰ বামুণঝাৰ, গুৰমৌ, শিমলাবাৰী, ঔগুৰি, টাইপাৰা, বিলপাৰাকে ধৰি ১৩ খন গাঁৱত এই ৰোগ ধৰা পৰিছে বুলি ৰাজ্যিক পশু চিকিৎসা বিভাগে তথ্য প্ৰকাশ কৰিছে। ৰাজ্যিক পশু চিকিৎসালয়ৰ তথ্য অনুসৰি জিলাখনত ৪০০তকৈ অধিক গাহৰি নিধন কৰা হৈছে। এই ৰোগত আক্ৰান্ত গাহৰিসমূহ নিধন কৰিবলগীয়া হোৱাত জিলাখনৰ কৃষকসকল ক্ষতিগ্ৰস্ত হৈছে। পশু চিকিৎসা বিভাগে এই ৰোগ সন্দৰ্ভত ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে কৰ্মশালাৰ আয়োজন কৰিছে। কালাকুছি, তেতেলীগুৰি, দলংপাৰ আদিকে ধৰি বিভিন্ন স্থানত সজাগতামূলক কৰ্মশালা অনুষ্ঠিত হৈছে। পশু চিকিৎসা বিভাগে ছোৱাইন ফিভাৰৰ কবলত পৰা অঞ্চলৰ ১ কিলোমিটাৰ ব্যাসাৰ্ধলৈ প্ৰভাৱিত এলেকা আৰু ১০ কিলোমিটাৰলৈ নিৰীক্ষণ এলেকা হিচাপে ধৰি পশুপালকসকলক সচেতন হ'বলৈ আহ্বান জনাইছে।

০০০০০

সমাপ্ত